**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 19-03-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**
**:::::::::::::::::::**

১। সুদীৰ্ঘ ৯ মাহ ধৰি আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত আবদ্ধ হৈ থকা মহাকাশচাৰী সুনীতা উইলিয়ামছ্ আৰু বাট্‌ছ উইলম'ৰ আজি পুৱতি নিশা পৃথিৱীলৈ ঘূৰি আহে।

২। কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে ভাৰতীয় ৰে'লৱেক অত্যাধুনিক, কাৰ্যক্ষম আৰু পাৰিবেশিকভাৱে বহনক্ষম পৰিবহন ব্যৱস্থা হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি ব্ৰিটেইনৰ ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা জনাথন পাৱেলক সাক্ষাৎ কৰি দ্বিপাক্ষিক, আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় সুৰক্ষাৰ বিভিন্ন বিষয়ত মত বিনিময় কৰে।

৪। মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে সকলো শক্তি আন্তঃগাঁথনি খণ্ডত ৩০ দিনৰ যুদ্ধ বিৰতিত সন্মতি প্ৰকাশ কৰিছে। *আৰু*

৫। কাবাডী বিশ্বকাপত কালি নিশা ইংলেণ্ডৰ উলভাৰহেম্পটনত ভাৰত আৰু স্কটলেণ্ডৰ মাজত অনুষ্ঠিত খেলখন ৬৪-৬৪ পইণ্টত ড্ৰ হয়।

০০০০০

সুদীৰ্ঘ ৯ মাহ ধৰি আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত আবদ্ধ হৈ থকা মহাকাশচাৰী সুনীতা উইলিয়ামছ্ আৰু বাট্‌ছ উইলম'ৰ আজি পুৱতি নিশা পৃথিৱীলৈ ঘূৰি আহে। স্পেচএক্সৰ ড্ৰেগন মহাকাশযানেৰে মহাকাশচাৰী দুগৰাকী ভাৰতীয় সময় অনুসৰি আজি পুৱতি নিশা ৩ বাজি ২৭ মিনিটত গাল্ফ অব মেক্সিকোত অৱতৰণ কৰে। ইয়াৰ লগে লগে মহাকশচাৰী দুগৰাকীয়ে স্পেচএক্সৰ ক্ৰু-নাইনৰ সৈতে আন দুগৰাকী মহাকাশচাৰী নাছাৰ নিক হেক আৰু ৰাছিয়াৰ মহাকাশচাৰী আলেকজেণ্ডৰ গৰ্বুনভৰ লগতে নিজৰ যাত্ৰা সমাপ্ত কৰে। উল্লেখযোগ্য যে বয়িং ষ্টাৰলাইনাৰ মহাকাশযানৰ কাৰিকৰী বিজুতিৰ বাবে বিগত বৰ্ষৰ জুনৰ পৰাই মহাকাশচাৰী দুগৰাকী আন্তঃৰাষ্ট্ৰীয় মকাকাশ কেন্দ্ৰত আৱদ্ধ হৈ আছিল। দুয়োগৰাকী মহাকাশচাৰীয়ে নিৰ্ধাৰিত সময়ৰ তুলনাত ২৭৮ দিন বেছিকৈ অৰ্থাৎ ২৮৬ দিন মহাকাশত থাকে। ইয়াৰ পৰিৱৰ্তে যোৱা দেওবাৰে ক্ৰু-টেনৰ ৪ জন মহাকাশচাৰীয়ে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত দায়িত্ব গ্ৰহণ কৰে।

০০০০০

কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে ভাৰতীয় ৰে'লৱেক অত্যাধুনিক, কাৰ্যক্ষম আৰু পাৰিবেশিকভাৱে বহনক্ষম পৰিবহন ব্যৱস্থা হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। তেওঁ কয়, যে ভাৰতীয় ৰেলৱেৰ অৰ্থনৈতিক স্থিতি যথেষ্ট ভাল আৰু চৰকাৰে ইয়াক অধিক উন্নত কৰাৰ বাবে কাম কৰি আছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি লোকসভাত ৰে'ল মন্ত্ৰালয়ৰ কাম-কাজ সম্পৰ্কীয় বিতৰ্কৰ উত্তৰ দি এইকথা প্ৰকাশ কৰে। তেওঁ

কয়, যে ভাৰতীয় ৰে'লৱেই বিগত দহ বছৰত ৫ লাখ লোকক কৰ্মসংস্থাপন প্ৰদান কৰিছে আৰু এক লাখৰো অধিক চাকৰিৰ নিযুক্তি প্ৰক্ৰিয়া চলি আছে। তেওঁ কয়, যে ২০২০ চনৰে পৰা যাত্ৰী ভাড়া বৃদ্ধি কৰা হোৱা নাই আৰু এই ভাড়া অন্য দেশৰ তুলনাত কম। চৰকাৰে দেশৰ ৰেল দুৰ্ঘটনা কম কৰাত গুৰুত্ব আৰোপ কৰা বুলি শ্ৰীবৈষ্ণৱে প্ৰকাশ কৰে। তেওঁ কয়, যে ভালেমান কাৰিকৰী পৰিৱৰ্তন কৰা হৈছে আৰু ভাৰতীয় ৰে'লৱেই দীঘল ৰেলগাড়ী, বৈদ্যুতিক ইণ্টাৰলকিং আৰু কুঁৱলি নিৰাপত্তা আহিলাৰ লেখিয়া বৃহৎ পদক্ষেপ গ্ৰহণ কৰি ইয়াৰ সেৱা উন্নত কৰাৰ বাবে অহৰহ কাম কৰি আছে। ভাৰত ৰে'লগাড়ীৰ বৃহৎ ৰপ্তানিকাৰী বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে দেশে অষ্ট্ৰেলিয়ালৈ মেট্ৰ' ৰে'লগাড়ী আৰু ব্ৰিটেইন, চৌদি আৰৱ আৰু ফ্ৰান্সলৈ ৰেলগাড়ীৰ দবা ৰপ্তানি কৰি আহিছে। তেওঁ লগতে ভাৰতে মেক্সিকো, স্পেইন, জাৰ্মানী আৰু ইটালীলৈ ৰেলগাড়ীৰ আহিলাপাতি ৰপ্তানি কৰা বুলি জানিবলৈ দিয়ে। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইউৰোপত যৌথভাৱে যিমান ৰেলৰ ইঞ্জিন উৎপাদন হয় ভাৰতত তাতকৈ অধিক উৎপাদন হয় বুলি শ্ৰীবৈষ্ণৱে প্ৰকাশ কৰে। ভাৰতীয় ৰেলৱে অহৰহভাৱে আন্তঃগাথনিৰ উন্নয়ন সাধন কৰি আহিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে দেশত ৩৪ হাজাৰ কিলোমিটাৰ ৰেলপথ নিৰ্মাণ কৰা হৈছে আৰু এই দৈৰ্ঘ্য জাৰ্মানীৰ সমগ্ৰ ৰেল নেটৱৰ্কৰ দৈৰ্ঘ্যতকৈ অধিক। তেওঁ কয়, যে ৫০ হাজাৰ কিলোমিটাৰ পুৰণি ৰেলপথৰ ঠাইত নতুন ৰেলপথ স্থাপন কৰা হৈছে আৰু ইয়াৰ ফলত নিৰাপত্তা বৃদ্ধি পাইছে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কালি ব্ৰিটেইনৰ ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা জনাথন পাৱেলক সাক্ষাৎ কৰি দ্বিপাক্ষিক, আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় সুৰক্ষাৰ বিভিন্ন বিষয়ত মত বিনিময় কৰে। নতুন দিল্লীত যোৱা সোমবাৰৰ পৰা অনুষ্ঠিত ৰাইছিনা ডাইলগ শীৰ্ষক ভূ-ৰাজনৈতিক আৰু ভূ-অৰ্থনৈতিক সন্মিলনৰ আপাহতে ড০ জয়শংকৰে নেপাল, থাইলেণ্ড, লাতভিয়া, লাক্‌জেম্বাৰ্গ আৰু মালদ্বীপকে ধৰি ভালেমান দেশৰ বিদেশমন্ত্ৰীসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। ড০ জয়শংকৰে লগতে আন্তঃৰাষ্ট্ৰীয় পাৰমানৱিক শক্তি সংস্থাৰ সঞ্চালক প্ৰধান ৰাফেল মাৰিয়ান গ্ৰ'ছিৰ সৈতেও মত বিনিময় কৰে। সামাজিক মাধ্যমত এলানি পোষ্ট যোগে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিভিন্ন ৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰীসকলৰ সৈতে তেওঁৰ বৈঠকৰ বিষয়ে প্ৰকাশ কৰিছে।

ooooo

নেপালৰ বিদেশ মন্ত্ৰী ড০ আৰ্জু ৰানা দেওবা আৰু ভাৰতৰ বৈদেশীক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ কালি নতুন দিল্লীত এখন বৈঠকত মিলিত হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে আয়োজন কৰা দশম **ৰাইছিনা ডায়লগ** শীৰ্ষ সন্মিলনৰ সুযোগতে মন্ত্ৰীদুগৰাকী আলোচনাত মিলিত হয়। নেপালৰ বিদেশ মন্ত্ৰীগৰাকীয়ে ড০ জয়শংকৰ সৈতে এই বৈঠক অতি ফলপ্ৰসূ আছিল বুলি উল্লেখ কৰে। দুয়োগৰাকী নেতাই দেশ দুখনৰ মাজৰ বিভিন্ন খণ্ডত থকা দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰে। তেওঁলোকে লগতে ভাৰত আৰু নেপালৰ মাজৰ বাণিজ্যিক সহযোগিতা, জলসম্পদ উন্নয়ন বিষয়ত লাভ কৰা অগ্ৰগতিকে ধৰি পাৰস্পৰিক স্বাৰ্থ সম্বলিত বিভিন্ন বিষয়ত আলোচনা কৰে।

ooooo

মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ মাজত প্ৰায় ডেৰঘণ্টাজোৰা আলোচনাৰ অন্তত কালি নেতা দুগৰাকীয়ে সকলো শক্তি আন্তঃগাঁথনি খণ্ডত ৩০ দিনৰ যুদ্ধ বিৰতিত সন্মতি প্ৰকাশ কৰে। অৱশ্যে ইউক্ৰেইনে এতিয়ালৈকে সীমিত শক্তি যুদ্ধ বিৰতি প্ৰস্তাৱত কোনো ধৰণৰ সহমত অথবা প্ৰতিক্ৰিয়া

প্ৰকাশ কৰা নাই। ৰাছিয়াৰ ৰাষ্ট্ৰপতি কাৰ্যালয়, ক্ৰেমলিনৰ এটা বিবৃতিত প্ৰকাশ কৰা মতে ৰাষ্ট্ৰপতি পুটিন সম্পূৰ্ণ যুদ্ধবিৰতিৰ বাবে সাজু আছে। শ্ৰী ট্ৰাম্পৰ সৈতে হোৱা আলোচনাত এই সন্দৰ্ভত ভালেমান গুৰুত্বপূৰ্ণ দিশ উত্থাপন কৰা হয় বুলি ক্ৰেমলিনৰ সূত্ৰত প্ৰকাশ। আনহাতে মধ্যপ্ৰাচ্যত অতি সোনকালে ইউক্ৰেইন শান্তি বিষয়ত নতুনকৈ আলোচনা আৰম্ভ হ'ব বুলি হোৱাই হাউছৰ সূত্ৰই প্ৰকাশ কৰিছে।

বিগত সপ্তাহত চৌডি আৰৱত আমেৰিকাৰ প্ৰদেশ সচিব মাৰ্কো ৰুবিঅ'ৰ নেতৃত্বত ইউক্ৰেইনৰ বিষয়ববীয়াসকলে আমেৰিকাৰ প্ৰস্তাৱক লৈ সন্মতি প্ৰকাশ কৰাৰ ফলশ্ৰুতিত কালি শ্ৰী পুটিন আৰু শ্ৰী ট্ৰাম্পৰ মাজত মত বিনিময় হয়।

ooooo

মধ্যপ্ৰদেশৰ শিৱপুৰি জিলাৰ মাতাটিলা ধামত কালি সন্ধিয়া মন্দিৰ দৰ্শনৰ বাবে যোৱা যাত্ৰীভৰ্তি এখন নাও দুৰ্ঘটনাত পতিত হয়। নাওখনত থকা ১৫ জন লোকক উদ্ধাৰ কৰা হয় যদিও এতিয়াও ৭ জন লোক সন্ধানহীন হৈ আছে। ৰাজ্যিক দুৰ্যোগ সহাৰি বাহিনীয়ে নিৰুদিষ্ট লোক কেইজনৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে। এই দুৰ্ঘটনাৰ খবৰ পোৱাৰ লগে লগে আৰক্ষী অধীক্ষক আৰু জিলা সংগ্ৰাহকে জিলা প্ৰশাসনৰ অন্যান্য বিষয়াসকলৰ সৈতে সেই স্থানত উপস্থিত হয়। মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী ড০ মোহন যাদৱে এই দুৰ্ঘটনাত শোক প্ৰকাশ কৰিছে।

ooooo

কাবাডী বিশ্বকাপত কালি নিশা ইংলেণ্ডৰ উলভাৰহেম্পটনত ভাৰত আৰু স্কটলেণ্ডৰ মাজত অনুষ্ঠিত খেলখন ৬৪ আৰু ৬৪ পইণ্টত ড্ৰ' হয়। খেলখনত ভাৰতে প্ৰথম কেইমিনিটমানৰ ভিতৰতে ৭-৪ত অগ্ৰগতি লাভ কৰি শক্তিশালী প্ৰদৰ্শন কৰিছিল যদিও পৰৱৰ্তী ৰাউণ্ডত **স্কটলেণ্ডেও** সমান স্কৰ কৰিবলৈ সমৰ্থ হয় আৰু ৬৪-৬৪ পইণ্টত ৰোমাণ্চকৰভাৱে খেলখন ড্ৰ হয়। ইয়াৰ পিছত ভাৰতীয় দলটোৱে চীনৰ বিৰুদ্ধে খেলিব আৰু স্কটলেণ্ডে ১৯ মাৰ্চত ইটালীৰ মুখামুখী হব। একেদৰে মহিলা শাখাত ভাৰতীয় দলটোৱে গ্ৰুপ ডিৰ এখন খেলত ৱেলচক ৮৯-১৮ত পৰাস্ত কৰি অভিযান আৰম্ভ কৰিছে।প্ৰতিযোগীতাত মহিলা শাখাৰ গ্ৰুপ ইৰ আন এখন খেলত ইংলেণ্ডে হাংগেৰীক ৮৫-১৫ত পৰাস্ত কৰে। উল্লেখযোগ্য যে কাবাডী বিশ্বকাপত পুৰুষ আৰু মহিলা দুয়োটা শাখাতে ভাৰতে ডিফেণ্ডিং চেম্পিয়ন হিচাপে প্ৰৱেশ কৰিছে।

ooooo

নতুন দিল্লীত কালি যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মাণ্ডৱিয়াৰ উপস্থিতিত খেলো ইণ্ডিয়া পেৰা গেমছ ২০২৫ৰ বাবে গীত, শুভংকৰ আৰু ল'গ' উন্মোচন কৰা হয়। অহা ২০মাৰ্চৰ পৰা ২৭ মাৰ্চলৈ ৰাজধানী নতুন দিল্লীত পেৰা গেমছ অনুষ্ঠিত হব। কালিৰ অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে খেলো ইণ্ডিয়াৰ পদক্ষেপে খেলুৱৈসকলক

এখন উল্লেখযোগ্য মঞ্চ প্ৰদান কৰিছে আৰু ইয়াৰ ফলত আন্তঃ ৰাষ্ট্ৰীয় পৰ্যায়ত খেলুৱৈসকলে দেশৰ বাবে সুনাম কঢ়িয়াবলৈ সমৰ্থ হৈছে। তেঁও লগতে পেৰা ইণ্ডিয়া গেমছৰ অংশগ্ৰহণকাৰীসকলক শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কয় যে খেলো ইণ্ডিয়া পেৰা গেমছত এইবাৰ ১৩০০ৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। কালি উন্মোচন কৰা খেলো ইণ্ডিয়া পেৰা গেমছৰ শুভংকৰ উজ্জ্বলাই ৰাজধানী চহৰখনৰ গৌৰৱ আৰু যুঁজাৰু মনোভাৱক প্ৰতিফলিত কৰিছে। উল্লেখযোগ্য যে এইবাৰৰ প্ৰতিযোগীতাত পেৰা আৰ্চাৰী, পেৰা এথলেটিকছ, পেৰা বেডমিণ্টন, পেৰা পাৱাৰলিফটিং, পেৰা শ্বুটিং আৰু পেৰা টেবুল টেনিছকে ধৰি ছটা শাখাত ১৩শ গৰাকীতকৈ অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিব।

০০০০০

ছুইছ অ’পেন বেডমিণ্টন প্ৰতিযোগিতা কোৱালিফায়িং ৰাউণ্ডৰ জৰিয়তে কালি ছুইজাৰলেণ্ডৰ বেজেলত আৰম্ভ হৈছে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ খেলুৱৈয়ে নিজৰ দক্ষতা আৰু দৃঢ়তা প্ৰদৰ্শন কৰি মূল প্ৰতিযোগীতাত স্থান লাভৰ বাবে প্ৰতিদন্দ্বিতা আগবঢ়াইছে। অৱশ্যে ভাৰতীয় শ্বাটলাৰ লক্ষ্য সেনকে ধৰি বিশ্বৰ অন্যতম শীৰ্ষস্থানৰ খেলুৱৈ লি জিই জিয়া, শ্বি ইউ কি, লি চেউক ইউৱে এইবাৰ পুৰুষৰ একক প্ৰতিযোগিতাত অংশগ্ৰহণ নকৰে। ভাৰতৰ কিদাম্বী শ্ৰীকান্তে কোৱালিফাইং ৰাউণ্ড সফলতাৰে অতিক্ৰম কৰিছে। শ্ৰীকান্তে প্ৰতিযোগিতাখনৰ উদ্বোধনী ৰাউণ্ডত ঘৰুৱা খেলুৱৈ এইচ এছ প্ৰণয়ৰ বিৰুদ্ধে খেলিব। আনহাতে, মহিলাৰ একক শাখাত ভাৰতীয় শ্বাটলাৰ পিভি সিন্ধুৱে ডেনমাৰ্কৰ জুলি জেকবচেনৰ বিৰুদ্ধে খেলিব। ভাৰতৰ দুই নম্বৰ স্থানৰ মহিলা শ্বাটলাৰ মালবিকা বানছ’ডে প্ৰথম ৰাউণ্ডৰ খেলত কানাডাৰ মিচেল লিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

সমাপ্ত